অসম দাপো

# সুৰেণ দাস মহাবিদ্যালয়ৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

হাজো, ৩ ছেপ্টেম্বৰ ঃ তীৰ্থনগৰী হাজোৰ উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান সুৰেণ দাস কলেজৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস যোৱা ২৯ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে পালন কৰে। পুৱা ন বজাত কলেজখনৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰে। ইয়াৰ পাছতে বৃক্ষৰোপণ কৰে এক নম্বৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি আৰু সহযোগী অধ্যাপিকা ড° বীণাপাণি তালুকদাৰে। ১০ বজাত প্ৰয়াত সুৰেণ দাসৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে কলেজখনৰ ভৱন দাতা যাদৱ দাসে আৰু ছহিদ তৰ্পণ কৰে ধোপৰগুৰি সত্ৰ পৰিচালনা সমিতিৰ সভাপতি মোহন চন্দ্ৰ মালাকাৰে। ইয়াৰ পাছতে মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা ড° বিনীতা দাসৰ ৰচনা আৰু পৰিচালনাত ড্ৰাগছ গুটখাৰ ওপৰত এখন বাটৰ নাট প্ৰদৰ্শন কৰে। দিনৰ এক বজাৰ পৰা ড° প্ৰবীণ চন্দ্ৰ দাসৰ পৌৰোহিত্যত 'উচ্চ শিক্ষা আৰু অসম' এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। ইয়াত বক্তা হিচাপে অংশগ্ৰহণ কৰি অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অন্নদা চৰণ ভাগৱতীয়ে কয় যে বিজ্ঞান-প্ৰযুক্তিৰ চৰম উৎকৰ্ষ সাধনৰ যুগত কলেজীয়া পাঠ্যক্ৰমত বহু ন ন বিষয় অন্তৰ্ভুক্ত হৈছে। আগৰ সেই শিক্ষা ব্যৱস্থা আৰু নাই। বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ লগত নিজকে খাপ খুৱাই আগবাঢ়ি যাবলৈ আহ্বান জনায় কয় যে বহু ছাত্ৰ-ছাত্ৰীয়ে এনেবোৰ নতুন বিষয় অধ্যয়নৰ ক্ষেত্ৰত সফল কাম হ'ব পৰা নাই। এই অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰমেন তালুকদাৰেও বক্তব্য আগবঢ়ায়। কলেজখনৰ প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰী অভিভাৱক তথা অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰা অনুষ্ঠানতে ২০১৭ৰ উচ্চতৰ কলা, বিজ্ঞান আৰু স্নাতক পৰীক্ষাত সুনাম কঢ়িয়াই অনা ২৩ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হয়।